**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

***---------------------------***

***Headlines***

১। সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত মৰাণত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে উদ্বোধন।

২। বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত।

৩। জামুগুৰিহাটত কাইলৈৰ পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন।

আৰু

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ৰে'লৱেৰ বিৰুদ্ধে ছাৰ্ভিচেছৰ অগ্ৰগতি।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে অসমলৈ আহিব। শ্ৰী মোদীয়ে প্ৰথমে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান - আই আই এমৰ অস্থায়ী চৌহদৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বাবে ১০০ খন বৈদ্যুতিক বাছ মুকলি কৰিব। গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী ডিব্ৰুগড় জিলাৰ মৰাণলৈ যাব। তাত তেওঁ সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে ই এল এফ, আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ আসন্ন ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয় –

বাইট

মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত এই অত্যাধুনিক ৰান্‌ৱে নিৰ্মাণ কৰা হৈছে। যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত এই ৰাষ্ট্ৰীয় ঘাইপথ নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। উদ্বোধনীৰ পাছতে মৰাণৰ আকাশত বায়ুসেনাৰ শক্তিশালী যুঁজাৰু বিমানসমূহে উৰণ কৌশল প্ৰদৰ্শন কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব। ৰানৱেৰ দুয়োফালে শক্তিশালী সুৰক্ষাৰ বেৰ আধুনিক সামৰিক বিমান নিয়ন্ত্ৰণ স্তম্ভকে ধৰি সকলো অত্যাৱশ্যকীয় সুৰক্ষা ব্যৱস্থা সংযোজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সেই স্থান পৰিদৰ্শন কৰি জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু বায়ুসেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সামগ্ৰিক পৰ্যালোচনা কৰিছে। উদ্বোধনৰ এসপ্তাহ পূৰ্বৰেপৰা সুৰক্ষাজনিত কাৰণত মৰাণৰ ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ

পথত সকলো যান-বাহনৰ চলাচল সাময়িকভাৱে বন্ধ ৰখা হ'ব বুলি জানিব পৰা গৈছে। বন বিভাগে পথৰ দাঁতিসমূহ পৰিষ্কাৰ কৰাৰ লগতে উৰণ-অৱতৰণত বাধাৰ সৃষ্টি কৰিব পৰা ম'বাইল টাৱাৰসমূহ স্থানান্তৰ কৰিছে। ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে বিমানযোগে ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰাৰ পাছতে যুঁজাৰু বিমানৰ কৌশল প্ৰদৰ্শন উপভোগ কৰিব। ইয়াৰ পাছতে আয়োজিত এখন জনসভাত তেওঁ ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত কালি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিমূলক কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০

বিৰোধী পক্ষৰ সাংসদসকলে সদনৰ প্ৰশ্নকালত সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰখা হয়। পুনৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সদস্যসকলৰ  আচৰণক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁলোকক সদনৰ শৃংখলা মানি চলিবলৈ অনুৰোধ জনায়। অধ্যক্ষগৰাকীয়ে বিৰোধী সদস্যসকলৰ আচৰণ সদনৰ মৰ্য্যাদাৰ পৰিপন্থী বুলি উল্লেখ কৰে। তেওঁ লগতে সদনৰ নিয়ম-শৃংখলা মানি চলাটো সকলো সদস্যৰে দায়িত্ব বুলি উল্লেখ কৰে। সদনৰ মৰ্য্যাদা বজাই নাৰাখিলে যিকোনো অধ্যক্ষৰ বাবে সদনৰ কাম-কাজ সুচাৰু ৰূপে চলাই নিয়াটো অসুবিধাজনক বুলি শ্ৰীবিৰলাই প্ৰকাশ কৰে।

০০০০০০০

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পথ যোগাযোগ ব্যৱস্থাত বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে উচ্চ গতিসম্পন্ন এক্সেছ কণ্ট্ৰ'ল্ড কৰিড'ৰ নিৰ্মাণ কৰা হ'ব বুলি কালি ৰাজ্যসভাত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে সদৰি কৰে। সদনৰ প্ৰশ্নোত্তৰ কালত পশ্চিমবংগৰ বিজেপিৰ সাংসদ সমিক ভট্টাচাৰ্যই উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ইতিমধ্যে এই প্ৰকল্প ৰূপায়ণৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ বিশেষজ্ঞ পৰামৰ্শদাতা সমিতিক দায়িত্ব দিয়া হৈছে। প্ৰতিবেদন প্ৰস্তুতৰ পাছতে ভূমি অধিগ্ৰহণ, প্ৰকল্পৰ আনুমানিক ব্যয় তথা সময়সীমা নিৰ্ধাৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰস্তাৱিত কৰিড'ৰটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ অন্যান্য প্ৰান্তক সংযোগ ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। শিলিগুড়িৰ পৰা গুৱাহাটী হৈ যোৰাবাটলৈ সম্প্ৰসাৰিত হ'বলগীয়া প্ৰায় ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উচ্চ গতিৰ কৰিড'ৰটোৱে যাত্ৰীবাহী বাহনৰ চলাচল সুচল কৰাৰ লগতে বাণিজ্যিক দিশতো আমুল পৰিৱৰ্তন সাধন কৰিব বুলি কোৱা হৈছে।

ইপিনে, গুৱাহাটীৰ পৰা তেজপুৰ হৈ শিলঘাটলৈকে ১৫৪ কিলোমিটাৰ নতুন ৰে'লপথ স্থাপনৰ বাবে বিশদ প্ৰকল্প প্ৰতিবেদন যুগুত কৰা হৈছে বুলি কালি লোকসভাত ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে। আগিয়াঠুৰীৰ পৰা ডেকাৰগাঁৱলৈকে ১২৯ কিলোমিটাৰ আৰু ডেকাৰগাঁৱৰ পৰা শিলঘাটলৈকে ২৫ কিলোমিটাৰ ৰে'ল প্ৰকল্প ৰূপায়ণৰ বিষয়টোক লৈ কালি ৰে'লমন্ত্ৰীগৰাকীয়ে সদনত বিবৃতি দিয়ে।

০০০০০০০

———শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে অধিৱেশনৰ উদ্যোক্তাসকলে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অধিৱেশনথলীৰ লগতে প্ৰদৰ্শনীথলী, ভোজনালয় আদি সাজু

কৰি তোলা হৈছে। বাৰ্ষিক অধিৱেশনখনৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ শোণিতপুৰৰ সংবাদদাতা ৰজত ভৰদ্বাজে এইদৰে কয়—

**ভইচকাষ্ট (ৰজত ভৰদ্বাজ)**

০০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচন সমাগত। নিৰ্বাচনৰ প্ৰস্তুতিৰ আলেখ-লেখ আৰু প্ৰাৰ্থিত্বকেন্দ্ৰিক কুচকাৱাজ সন্দৰ্ভত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটী কেন্দ্ৰই দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশেষজ্ঞৰ লগতে আকাশবাণীৰ সংবাদদাতাসকলে ভাগ ল'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

হাটশিঙিমাৰী প্ৰেক্ষাগৃহত আজি এফ পি চি উন্নয়ন কাৰ্যসূচী শীৰ্ষক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে কৃষকে একেই মাটিত একেই সময়ত আৰু একেই খৰচতে আয় তিনিগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে হাটশিঙিমাৰী ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীয়ে ৰূপায়ণ কৰা একাধিক কৃষিভিত্তিক প্ৰকল্পৰ বিষয়ে অৱগত কৰা হয়। অনুষ্ঠানত দক্ষিণ শালমাৰা মানকাচৰ জিলা কাৰ্যবাহী দণ্ডাধীশ অতুল কাথাৰ, জিলা কৃষি বিষয়াৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। অনুষ্ঠানত কৃষকসকলক ঋণ অনুমোদন পত্ৰ সূদবিহীন ঋণ আৰু আৰ্থিক সাহায্য প্ৰদান কৰা হয়। কৃষকক দুগ্ধ মিলৰ বাবে ১০ লাখ টকাৰ ঋণ আৰু মৎস্য উৎপাদনৰ বাবে ৪০ লাখ টকাৰ ঋণ অনুমোদন প্ৰদান কৰা হয়।

০০০০০০০

বশিষ্ঠ আৰক্ষীয়ে গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰাৰ ভিতৰত চলা অনৈতিক কাৰ্যকলাপ সংক্ৰান্তত কাৰাগাৰখনৰ কাৰাধ্যক্ষ দেৱ কুমাৰ বৰাক আটক কৰিছে। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত নিচাজাতীয় সামগ্ৰীৰ অবাধ সৰবৰাহ চলাৰ অভিযোগ উঠিছে। একাংশ কয়দীক ধনৰ বিনিময়ত ৰাজ আতিথ্য দিয়াৰো অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে সম্প্ৰতি কাৰাধ্যক্ষগৰাকীক জেৰা কৰি আছে।

০০০০০০০

গোলাঘাটত স্বায়ত্তশাসিত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাৰজত জয়ন্তী কাৰ্যসূচী অনুষ্ঠিত হৈছে। পতাকা উত্তোলন কাৰ্যসূচীৰে আৰম্ভ হোৱা মহাৰজত জয়ন্তীৰ এই কাৰ্যসূচীত গ্ৰন্থমেলাৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান আৰু শোভাযাত্ৰাৰ কাৰ্যসূচীও উলিওৱা হ'ব। মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ অনুষ্ঠানত ৰাজ্যৰ শৈক্ষিক, ৰাজনৈতিক আৰু জাতীয় সংগঠনৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০০

গুৱাহাটীৰ ছয়মাইলৰ কিউচেংঘান ফুকনে এলিফেণ্টা আইলেণ্ডৰ পৰা গেটৱে অব্ ইণ্ডিয়ালৈ সাঁতুৰি বিশ্বৰ কনিষ্ঠতম সাঁতোৰবিদ হিচাপে নতুন অভিলেখ গঢ়িছে। কিউচেংঘান ফুকনে মাত্ৰ তিনি ঘণ্টা ২৯ মিনিটত প্ৰায় ১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কঠিন সাঁতোৰ সম্পূৰ্ণ কৰি আৰৱ সাগৰত এই কৃতিত্ব অৰ্জন কৰা উত্তৰ-পূৱ ভাৰতৰ প্ৰথমগৰাকী মহিলা সাঁতোৰবিদ হিচাপে পৰিগণিত হৈছে।

০০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল ইতিমধ্যে ৰে'লৱে আৰু ছাৰ্ভিচেছৰ মাজত আৰম্ভ হৈছে। ঢকুৱাখনাত অনুষ্ঠিত খেলখনত আমালৈ বাতৰি অহাৰ পৰলৈকে ছাৰ্ভিছেচ ১-০ গ'লত আগবাঢ়ি আছিল। ইপিনে, দিনৰ ডেৰ বজাত ঢকুৱাখনাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত যোৱাবাৰৰ বিজিত কেৰালা-পাঞ্জাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০০০০

**সমাপ্ত**